**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে কংগ্ৰেছে অহা ৪ জুনৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত লোকসভাত স্বীকৃত বিৰোধী দল হিচাপেই ক্ষান্ত থাকিব লাগিব।

২। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব।

৩। দক্ষিণ কাশ্মীৰৰ চপিয়ান জিলাত আজি আৰক্ষীয়ে দুটা সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে।

৪। ভাৰতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ খচৰা প্ৰস্তাৱৰ সপক্ষে ভোটদান কৰি পেলেষ্টাইনক পূৰ্ণ সদস্যৰ মৰ্যদা প্ৰদানৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে কংগ্ৰেছে অহা ৪ জুনৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত লোকসভাত বিৰোধী দল হিচাপেই ক্ষান্ত থাকিব লাগিব। ওড়িশাৰ কান্ধামাল জিলাৰ ফুলবানীত আজি পুৱা এখন নিৰ্বাচনী সমাবেশত ভাষণ দি শ্ৰী মোদীয়ে কয় যে, বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই এই নিৰ্বাচনত ৪০০ খনতকৈও অধিক লোকসভা আসনত জয়ী হ'ব আৰু কংগ্ৰেছে কেৱল ৫০ খন আসনতহে জয়লাভ কৰিব পাৰিব। তেওঁ কয় যে, কংগ্ৰেছৰ দুৰ্বল ভাবধাৰাৰ বাবেই জম্মু-কাশ্মীৰৰ জনসাধাৰণে দশক দশক জুৰি সংগ্ৰাম কৰি থাকিব লগা হৈছে। তেওঁ কয় যে, ভাৰতে কেতিয়াও কংগ্ৰেছৰ শাসনৰ সময়ত হোৱা সন্ত্ৰাসবাদীৰ সঘন আক্ৰমণসমূহক পাহৰিব নোৱাৰে, যি সময়ত কংগ্ৰেছ নেতাসকলে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে উঠা-বহা কৰিছিল। শ্ৰী মোদীয়ে লগতে কয় যে, ভোট বেংকত প্ৰভাৱ পৰাৰ আশংকাত কংগ্ৰেছে ২৬-১১ আক্ৰমণৰ ঘটনাৰ কোনো তদন্ত নকৰিলে। শ্ৰী মোদীয়ে ওড়িশাৰ মুখ্যমন্ত্ৰী আৰু বি জে ডিৰ মুৰব্বী নৱীন পাটনায়ক আৰু তেওঁৰ চৰকাৰকো পুৰীৰ জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ চাবি হেৰোৱা ঘটনা সন্দৰ্ভত কঠোৰভাৱে সমালোচনা কৰে। ওড়িশাত এবাৰ বিজেপি চৰকাৰ শাসনলৈ আহিলে ৰত্ন ভাণ্ডাৰৰ পৱিত্ৰতা নিশ্চিত হ'ব বুলিও তেওঁ কয়। দুদিনীয়া কাৰ্যসূচীৰে ওড়িশালৈ যোৱা প্ৰধানমন্ত্ৰীয়ে বালনগিৰ আৰু বাৰগড় সংসদীয় সমষ্টিটো আজি দুপৰীয়া আন দুখন ৰাজহুৱা সভাত ভাষণ দিব।

0000000

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত

হ'ব। প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত কেইঘণ্টামান বাকী থকা পৰিপ্ৰেক্ষিতত বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হায়দৰাবাদৰ এল বি ষ্টেডিয়ামত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰীমোদীয়ে কয় যে, বিজেপিয়ে বিগত ১০ বছৰত ভালেমান সমস্যা সমাধান কৰাৰ নিদৰ্শন আছে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ পূৰ্বৰ কাৰ্যকালসমূহত পৰিয়াল কেন্দ্ৰিক ৰাজনীতি আৰু দুৰ্নীতিৰ ইতিহাস আছে। তেওঁ লগতে জনসাধাৰণক ভোটদানৰ বাবে দল বাছনি কৰাৰ ক্ষেত্ৰত সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে কালি তেলেংগানাৰ নাকৰেকলত প্ৰচাৰ চলায়। নেতাগৰাকীয় ভোট বিচৰাৰ সময়ত নিজৰ সাফল্য আৰু ইস্তাহাৰৰ বিষয়ে উল্লেখ নকৰা বাবে বিজেপিক তীব্ৰ সমালোচনা কৰে। বি আৰ এছৰ মুৰব্বী কে চন্দ্ৰশেখৰ ৰাওৱে কালি বিয়লি চিৰচিলাত এটা ৰোড শ্ব'ত ভাগ লয় আৰু ছিদ্দিপেটত এখন নিৰ্বাচনী সভা সম্বোধন কৰে।

ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি ঝাৰখণ্ডৰ খুমতিৰ কচহৰিত দলীয় প্ৰাৰ্থী তথা কেবিনেট মন্ত্ৰী অৰ্জুন মুণ্ডাৰ হকে প্ৰচাৰ চলায়। প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙেও কালি ঝাৰখণ্ডৰ ডুমকাত দলীয় প্ৰাৰ্থী সীতা চোৰেনৰ হকে প্ৰচাৰত ভাগ লয়। তেওঁ লগতে গোড্ডাত বিজেপি প্ৰাৰ্থী নিশিকান্ত ডুবেৰ হৈ এটা ৰোড শ্ব'টো অংশ লয়। উত্তৰ প্ৰদেশতো প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে কালি কন্নৌজ আৰু কাণপুৰত যুটীয়াভাৱে দুখন নিৰ্বাচনী সভাক সম্বোধন কৰে। ৰাহুল গান্ধীয়ে বিজেপিক সমালোচনা কৰি কয় যে, কংগ্ৰেছ দল ক্ষমতালৈ আহিলে খেতিয়কসকলে দাৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ নহালৈকে তেওঁলোকক বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। আম আদমী পাৰ্টীৰে নেতা সঞ্জয় সিঙেও আই এন ডি আই মিত্ৰজোঁটৰ হকে নিৰ্বাচনী সভাখনত ভাষণ দিয়ে।

ইপিনে, বহুজন সমাজপাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে কালি কাণপুৰত কেইবাখনো নিৰ্বাচনী সভাক সম্বোধন কৰে।

ooooooo

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনত মধ্যপ্ৰদেশত উজ্জয়ন, মান্দচাউৰ, ধাৰ, ইণ্ডোৰ, খাৰগান আৰু খানৱা লোকসভা সমষ্টিকে ধৰি মুঠ ৮খন লোকসভা আসনৰ বাবে অহা ১৩ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে ৰাজ্যখনৰ মালোৱা, নিমাৰ অংশত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ হৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে ৰত্নাম আৰু ইণ্ডোৰত প্ৰচাৰ চলোৱাৰ লগতে মধ্যপ্ৰদেশৰ ৰাজ্যিক বিজেপিৰ সভাপতি ভি ডি শৰ্মাই দেৱজ আৰু ধাৰড আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে উজ্জয়িনীত প্ৰচাৰ চলাব। উল্লেখযোগ্য যে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দিগবিজয় সিং, সঞ্জয় কাপুৰ, ৰাজ্যিক কংগ্ৰেছ সভাপতি জিতু পাটোৱাৰীৰ লগতে অন্যান্য দলীয় নেতাই ৰাজ্যখনৰ কংগ্ৰেছ প্ৰাৰ্থীসকলৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooooo

দক্ষিণ কাশ্মীৰৰ চপিয়ান জিলাত আজি আৰক্ষীয়ে দুটা সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে চপিয়ানৰ মালিক চক ক্ৰচিঙত থকা এটা নিৰীক্ষণ চকীত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, আৰক্ষী আৰু সেনাবাহিনীৰ ৪৪ ৰাষ্ট্ৰীয় ৰাইফলছৰ জোৱানে যুটীয়াভাৱে অভিযান চলাই এই সন্ত্ৰাসবাদী দুটাক আটক কৰে। সন্ত্ৰাসবাদী দুটা চপিয়ানৰ বাবা মহল্লাৰ বাসিন্দা বুলি জানিব পৰা গৈছে। তেওঁলোকৰ হাতৰ পৰা

ভালেমান আপত্তিজনক সমগ্ৰী উদ্ধাৰ কৰা হৈছে। ঘটনা সন্দৰ্ভত হিৰপোৰা আৰক্ষী চকীত এটা গোচৰ ৰুজু কৰাৰ লগতে তদন্ত আৰম্ভ কৰা হৈছে।

০০০০০০০

ভাৰতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ খচৰা প্ৰস্তাবৰ সপক্ষে ভোটদান কৰি পেলেষ্টাইনক পূৰ্ণ সদস্যৰ মৰ্যদা প্ৰদানৰ সমৰ্থন আগবঢ়াইছে। ১৯৩ খন সদস্য ৰাষ্ট্ৰৰে গঠিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ কালি অনুষ্ঠিত এখন জৰুৰী বিশেষ অধিৱেশনৰ বৈঠকত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই এই প্ৰস্তাৱ উত্থাপন কৰিছিল। এই প্ৰস্তাৱৰ সপক্ষে ১৪৩ খন দেশে মতদান কৰাৰ বিপৰীতে ৯খন দেশে ইয়াৰ বিৰোধিতা কৰে। ইপিনে ২৫ খন দেশে মতদানৰ পৰা বিৰত থাকে। সম্প্ৰতি পেলেষ্টাইন ৰাষ্ট্ৰসংঘৰ সদস্য নহয় যদিও পৰ্যবেক্ষক হিচাপে আছে। ২০১২ চনত সাধাৰণ সভাই পেলেষ্টাইনক এই মৰ্যদা প্ৰদান কৰিছিল। পেলেষ্টাইন মুক্তি সংগঠনক স্বীকৃতি দিয়া ভাৰতে হৈছে আৰবৰ বাহিৰৰ প্ৰথমখন ৰাষ্ট্ৰ। আনহাতে ১৯৮৮ আৰু ১৯৯৬ চনত পেলেষ্টাইনক ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিয়া ভাৰত এখন অন্যতম ৰাষ্ট্ৰ।

০০০০০০০

উত্তৰ-পূৰৰ ৰাজ্যসমূহৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে গঠন হোৱা কাৰ্য বাহিনীৰ পঞ্চমখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হৈ যায়। এই বৈঠকত পৰ্যটন বিকাশৰ বাবে সামৰ্থ বিকাশ, প্ৰশিক্ষণ নীতি, বিপণন আৰু প্ৰচাৰৰ সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বৈঠকখনত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে। তদুপৰি বৈঠকত কেন্দ্ৰীয় মন্ত্ৰ্যালয়ৰ প্ৰতিনিধি ভাৰতীয় উদ্যোগ সংঘ আৰু অন্যান্য ব্যক্তিগত খণ্ডৰ প্ৰতিনিধিও উপস্থিত থাকে।

০০০০০০০

ভাৰতীয় জেভলিন খেলুৱৈ নীৰজ চোপৰাই দোহা ডায়মণ্ড লীগ ২০২৪ প্ৰতিযোগিতাত দ্বিতীয় স্থান নিশ্চিত কৰিছে। জেভলিনৰ শীৰ্ষ স্থানৰ খেলুৱৈ জাকোব জাদলেজতকৈ মাত্ৰ দুই চেণ্টিমিটাৰ কম জেভলিন দলিয়াই তেওঁ দ্বিতীয় স্থান লাভ কৰে। বতাহৰ পৰিপ্ৰেক্ষিতত নীৰজে একেৰাহে দ্বিতীয়বাৰৰ বাবে দোহাত চূড়ান্ত বিজয়ীৰ খিতাপ দখলত ব্যৰ্থ হয়।

০০০০০০০

ভাৰতীয় মহিলা মল্ল যুঁজাৰু নিশা দাহিয়াই পেৰিছ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অলিম্পিকত ভাগ লোৱাৰ বাবে তেওঁ পঞ্চমগৰাকী মহিলা মল্ল যুঁজাৰু হিচাপে পৰিগনিত হৈছে। ইস্তানবুলত কালি বিশ্ব অলিম্পিক যোগ্যতা নিৰ্ণয়কাৰী ৬৮ কিলোগ্ৰাম শাখাৰ চেমিফাইনেল খেলত দাহিয়াই ৰোমানিয়াৰ আলেকজেণ্ড্ৰা আংঘেলক পৰাস্ত কৰে। যোৱা বছৰৰ এছিয়ান ছেম্পিয়নশ্বিপত ৰূপৰ পদক বিজয়ী নিশাই আংঘেলক ৮-৪ পইণ্টত পৰাস্ত কৰে। এইবাৰ প্ৰথমবাৰৰ বাবে ৫ গৰাকী মহিলা মল্ল যুঁজাৰুৱে অলিম্পিকৰ প্ৰতিযোতাত ভাগ লোৱাৰ সুযোগ লাভ কৰিছে। অন্তিম পংঘল, বিনেশ ফোগট, অনশু মালিক আৰু ৰিতীকা হুডাই ইতিমধ্যে অলিম্পিকত তেওঁলোকৰ স্থান নিশ্চিত কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদত অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৩৫ ৰানত পৰাস্ত কৰে। যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৬ ৰানহে সংগ্ৰহ কৰে। চেন্নাইৰ হৈ ডেৰিল মিছেলে সৰ্বাধিক ৬৩ ৰান কৰে। গুজৰাটৰ মোহিত শৰ্মাই তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২৩১ ৰান কৰে। গুজৰাটৰ হৈ অধিনায়ক শুভমন গিলে ৫৫টা বলত ১০৪ ৰান কৰে। ছাই সুদৰ্শনে ৫১টা বলত ১০৩ ৰানৰ বৰঙণি আগবঢ়ায়। শুভমন গিলক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

0000000

**ঃ সমাপ্ত ঃ**